# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 22-02-2026

**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

**HEADLINE**

00000

১। ভৱিষ্যতৰ পৃথিৱীত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ নীতি নিৰ্দ্ধাৰণৰ দিশত **ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন** অতিশয় গুৰুত্বপূৰ্ণ বুলি প্ৰধানমন্ত্ৰীৰ **মন কী বাতত** প্ৰকাশ।

২। বৃন্দাবনী বস্ত্ৰ প্ৰদৰ্শনৰ বাবে গুৱাহাটীৰ খানাপাৰাত নিৰ্মাণ হ'বলগীয়া সাংস্কৃতিক সংগ্ৰহালয় প্ৰকল্পৰ আজি আধাৰশিলা স্থাপন ।

৩। ৰাজ্যৰ স্বাস্থ্য সেৱা খণ্ডৰ উন্নয়নৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি ৮২ খন নতুন ১০৮ মৃত্যুঞ্জয় এম্বুলেন্স সেৱাৰ শুভাৰম্ভ।

**আৰু**

৪। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ এখন খেলত ইংলেণ্ডৰ শ্ৰীলংকাক জয়ৰ বাবে ১৪৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

00000

ভৱিষ্যতৰ পৃথিৱীত কৃত্ৰিম বুদ্ধিমত্তাৰ শক্তি কিদৰে প্ৰয়োগ কৰা হ'ব সেই বিষয়ত নীতি নিৰ্দ্ধাৰণৰ দিশত **ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন** অতিশয় গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাৱ ব্যক্ত কৰি আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে মত প্ৰকাশ কৰে। শ্ৰীমোদীয়ে, নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত এই শীৰ্ষ সন্মিলনত ভিন ভিন দেশৰ নেতাৰ লগতে ঔদ্যোগিক খণ্ডৰ গুৰুত্বপূৰ্ণ ব্যক্তি, উদ্ভাৱক আৰু ষ্টাৰ্টআপ খণ্ডৰ সৈতে জড়িত ব্যক্তিসকল সমবেত হোৱাৰ বিষয়টোলৈ আঙুলিয়াই দিয়ে। এই অনুষ্ঠানত বিশ্বনেতা আৰু প্ৰযুক্তি খণ্ডৰ মুখ্য কাৰ্যবাহী বিষয়াসকলে পৰস্পৰৰ সৈতে মত বিনিময় কৰাৰ সুযোগ লাভ কৰা বুলিও তেওঁ লগতে উল্লেখ কৰে।

**বাইট (পি এম)-১**

ডিজিটেল এৰেষ্ট সন্দৰ্ভত পূৰ্বে মন কী বাতত উল্লেখ কৰাৰ পিছৰ পৰা ডিজিটেল এৰেষ্ট আৰু ডিজিটেল জালিয়াতি সন্দৰ্ভত সমাজত ভালেখিনি সজাগতা বৃদ্ধি পোৱা বুলিও প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে শ্ৰোতাসকলক ভুৱা ফোনকল, এছ এম এছ আৰু লিংকৰ বিষয়ে সজাগ হৈ থাকিবলৈ আহ্বান জনায়। তেওঁ লগতে জনসাধাৰণক কে ৱাই চি, ৰি কে ৱাই চি কেৱল বেংকৰ শাখা, অফিচিয়েল এপ আৰু

দায়িত্ববাহীসকলকহে প্ৰদান কৰিবলৈ কয়। তদুপৰি অ টি পি, আধাৰ নম্বৰ বা বেংকৰ সবিশেষ যিকোনো লোককে প্ৰদান নকৰিবলৈ তেওঁ আহ্বান জনায়।

**বাইট (পি এম)-২**

পবিত্ৰ ৰমজান মাহ আৰু হোলী উপলক্ষে প্ৰধানমন্ত্ৰীগৰাকীয়ে সকলোকে শুভকামনা জনোৱাৰ লগতে জনসাধাৰণে পৰিয়ালৰ লোকৰ সৈতে আনন্দৰে এই উৎসৱ পালন কৰিব বুলিও আশা প্ৰকাশ কৰে।

ooooo

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ অমূল্য সৃষ্টি বৃন্দাবনী বস্ত্ৰ অসমত প্ৰদৰ্শনৰ বাবে গুৱাহাটীৰ খানাপাৰাত নিৰ্মাণ হ'বলগীয়া সাংস্কৃতিক সংগ্ৰহালয় প্ৰকল্পৰ আজি আধাৰশিলা স্থাপন কৰা হয়। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই প্ৰকল্পৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, ব্ৰিটিছ সংগ্ৰহালয়ৰ দক্ষিণ আৰু দক্ষিণ-পূব এছিয়া শাখাৰ প্ৰাক্তন মুৰব্বী টি ৰিচাৰ্ড ব্লাৰ্টন আৰু প্ৰকল্প নিৰ্মাণৰ দায়িত্বত থকা সংস্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ড০ শৰ্মাই তেওঁৰ ভাষণত কয়, যে অসমীয়া জাতীয় জীৱনৰ স্বাভিমানৰ প্ৰতীক এই বৃন্দাবনী বস্ত্ৰ অসমলৈ ঘূৰাই অনাটো ৰাজ্য চৰকাৰৰ বাবে এটা ঐতিহাসিক পদক্ষেপ। প্ৰায় ১৮ মাহৰ ভিতৰত সম্পূৰ্ণ হ'বলগীয়া সংগ্ৰহালয়টো পৰৱৰ্তী সময়ত ব্ৰিটিছ সংগ্ৰহালয় কৰ্তৃপক্ষই পৰিদৰ্শন কৰাৰ পাছত বৃন্দাবনী বস্ত্ৰ অসমলৈ আনিব পৰা যাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট (চি এম)**

ooooo

ৰাজ্যৰ স্বাস্থ্য সেৱা খণ্ডৰ উন্নয়নৰ দিশত আন গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি ৮২ খন নতুন ১০৮ মৃত্যুঞ্জয় এম্বুলেন্স সেৱাৰ শুভাৰম্ভ কৰা হয়। ২৯ কোটি টকা ব্যয় সাপেক্ষ এই সেৱা আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতাল প্ৰেক্ষাগৃহত স্বাস্থ্যমন্ত্ৰী অশোক সিংহালে শুভাৰম্ভ কৰে। এই নৱ-সংযোজনৰ জৰিয়তে ৪২খন অত্যাধুনিক জীৱনদায়িনী এম্বুলেন্স আৰু ৪০খন অত্যাৱশ্যকীয় জীৱনদায়িনী এম্বুলেন্সৰ সেৱা আৰম্ভ কৰা হৈছে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰীসিংহালে কয়, যে বিগত ১০ বছৰত পথ আন্তঃগাঁথনি উন্নীত হোৱাৰ ফলত এম্বুলেঞ্চ সেৱা কম সময়তে লাভ কৰাটো সুবিধা হৈছে। সম্প্ৰতি ১৪ মিনিটৰ ভিতৰত এম্বুলেঞ্চ সেৱা লাভ কৰিব পৰা যায় আৰু এই সময় ১০ মিনিটলৈ হ্ৰাস কৰাৰ বাবে চেষ্টা চলাই থকা হৈছে বুলি তেওঁ উল্লেখ কৰে।

ooooo

শিৱসাগৰ জিলাৰ ভটীয়াপাৰৰ ঐতিহাসিক জেৰেঙা পথাৰত আজি অসম গণ পৰিষদ দলৰ সংকল্প সমাৰেশ অনুষ্ঠিত হয়। দলৰ সাংগঠনিক শক্তি বৃদ্ধি আৰু নিৰ্বাচনৰ পূৰ্বে দলীয় ভেঁটি শক্তিশালী কৰাৰ লক্ষ্যৰে এই সমাৰেশৰ আয়োজন কৰা হয়। সমাৰেশত দলৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা উপস্থিত থাকে। সাংবাদিকৰ আগত শ্ৰীবৰাই বিভিন্ন সমষ্টিত দলৰ প্ৰাৰ্থিত্ব প্ৰদান সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব বুলি উল্লেখ কৰে। সমাৰেশত ডেৰগাঁৱৰ বিধায়ক ভবেন ভৰালীৰ লগতে কেইবাগৰাকীও দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

ooooo

ৰাজ্যৰ বন বিভাগে গোলাঘাট জিলাৰ নেঘেৰীবিলত পুনৰ উচ্ছেদ চলোৱাৰ বাবে ৫৯ টা পৰিয়াললৈ বাসগৃহ খালী কৰিবলৈ জাননী জাৰি কৰিছে। ইয়াৰ আগেয়ে জিলাখনৰ সৰুপথাৰৰ উৰিয়ামঘাটৰ লগতে মেৰাপানীৰ ২ নম্বৰ নেঘেৰীবিলত উচ্ছেদ চলোৱা হৈছিল। যোৱা বছৰৰ ৮ আগষ্টত বন বিভাগে নেঘেৰীবিলৰ ২০৫ টা পৰিয়ালক উচ্ছেদৰ জাননী জাৰি কৰিছিল যদিও নেঘেৰীবিলৰ ৫৯ টা আৰু উৰিয়ামঘাটৰ ১১ টা পৰিয়ালে স্থগিতাদেশৰ বাবে আবেদন দাখিল কৰিছিল। উচ্চতম ন্যায়ালয়ে যোৱা ১০ ফেব্ৰুৱাৰীত গোচৰটোৰ শুনানী গ্ৰহণ কৰি বন বিভাগৰ সপক্ষে ৰায়দান কৰে। সেই অনুসৰি, বন বিভাগৰ গোলাঘাট বন সংমণ্ডলে যোৱা ২১ ফেব্ৰুৱাৰীত অঞ্চলটোৰ দখলীকৃত ভূমি সাদিনৰ ভিতৰত খালী কৰাৰ বাবে জাননী জাৰি কৰিছে। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাৰ সাদিনৰ ভিতৰত এই পৰিয়ালসমূহে পুনৰ আবেদন নজনালে বন বিভাগে সেই স্থানত উচ্ছেদ চলাব বুলি জাননীত কোৱা হৈছে।

০০০০০

আজি পুৱা দেহাৱসান ঘটা প্ৰৱীণ সাংবাদিক, চিন্তাবিদ ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ শেষকৃত্য বিয়লি গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত বহু গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন হয়। আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে, গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত আজি পুৱা  প্ৰবীণ সাংবাদিকগৰাকীৰ দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁ বয়স হৈছিল ৯৭ বছৰ। ৰাজ্যৰ তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰা চক্ৰৱৰ্তীয়ে পৰৱৰ্তী সময়ত দৈনিক অসম, দৈনিক জনমভূমি আৰু আজিৰ বাতৰি কাকতকে ধৰি কেইবাখনো কাকতৰ সম্পাদনা কৰিছিল। অসমৰ সমাজ জীৱনৰ বিভিন্ন বিষয় আৰু সমস্যাক লৈ সজোৰে মাত মাতি অহা চক্ৰৱৰ্তীক সাংবাদিকতাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে ২০১৯ চনৰ গণৰাজ্য দিৱসৰ অনুষ্ঠানত সাংবাদিকতা বঁটাৰে সন্মানিত কৰা হৈছিল। কেইবাখনো গ্ৰন্থ ৰচনা কৰা চক্ৰৱৰ্তীয়ে অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰাক্তন সভাপতি, কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি আৰু জাৰ্ণেলিষ্ট এছ'ছিয়েচন অৱ আছামৰ সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। সাংবাদিকগৰাকীৰ বিয়োগত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত মুখ্যমন্ত্ৰীয়ে তীক্ষ্ণ কলম আৰু শক্তিশালী কণ্ঠস্বৰেৰে কেইবা দশক ধৰি জাতিটোক দিক্ নিৰ্দেশ কৰা চক্ৰৱৰ্তীৰ অৱদান অসামান্য বুলি অভিহিত কৰে। জাৰ্ণেলিষ্ট এছ'ছিয়েচন অৱ আছাম, গুৱাহাটী প্ৰেছ ক্লাবৰ লগতে কেইবাটাও সংগঠন, ৰাজ্যৰ বহু সাংবাদিক আৰু ব্যক্তিবিশেষে চক্ৰৱৰ্তীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। জাৰ্ণেলিষ্ট এছ'ছিয়েচন অৱ আছামে সংস্থাৰ পতাকা এসপ্তাহলৈ অৰ্ধনমিত কৰি সাংবাদিকগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাইছে।

০০০০০

অসম চৰকাৰৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন আঁচনিৰ অধীনত আজি ডিব্ৰুগড় বিধানসভা সমষ্টিৰ অন্তৰ্গত ৪টা পথ নিৰ্মাণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। শক্তিমন্ত্ৰী তথা স্থানীয় বিধায়ক প্ৰশান্ত ফুকনে এই পথ নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে বিধানসভা সমষ্টিটোত ২৭ কোটি টকা ব্যয় সাপেক্ষে ৫৭টা পথ নিৰ্মাণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আজি পৌৰসভা কৰ্মচাৰী কলনি পথৰ উন্নীতকৰণ, বংশী গগৈ পথ আৰু মলখুবচা ৪ আৰু ৫ নম্বৰ উপপথ উন্নীতকৰণ কামৰ শুভাৰম্ভ কৰা হয়।

০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত আজি ইংলেণ্ডে শ্ৰীলংকাক জয়ৰ বাবে ১৪৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৪৬ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আমালৈ বাতৰি অহা পৰলৈ শ্ৰীলংকাই ১৬ অভাৰত ৯টা উইকেট হেৰুৱাই ৯৪ ৰাণ কৰি খেলি আছে।

প্ৰতিযোগিতাত আজি ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত